# **ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া**

# **বনাম**

# **ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া ষ্টাফ অফিচাৰচ এছ'চিয়েশ্যন আৰু অন্যান্য**

৯ আগষ্ট, ১৯৯১

[ন্যায়াধীশ এম. এইচ. কানিয়া আৰু ন্যায়াধীশ পি. বি. সাৱন্ত[

*ভাৰতৰ সংবিধান, ১৯৫০- অনুচ্ছেদ ১৪, ১৬- গুৱাহাটীৰ ৰিজাৰ্ভ বেংকৰ অ-স্থানীয় আৰু স্থানীয় বেংক বিষয়াসকল- অ-স্থানীয় বেংক বিষয়ালৈ কিছুমান ইনচেণ্টিভ(সুবিধা)- বৈষম্যমূলক নেকি।*

**১৯৮৩**চনৰ ৯ডিচেম্বৰৰ এখন পত্ৰৰ জৰিয়তে আপীলকাৰীয়ে উত্তৰ-পূব অঞ্চলৰ বাহিৰৰ গুৱাহাটীত নিযুক্ত বিষয়াসকলক কিছুমান ইনচেণ্টিভ আৰু ভাট্টা প্ৰদান কৰিছিল। সেই ভাট্টাসমূহক সাধাৰণতে special duty allowance(বিশেষ বৃত্তি ভাট্টা) বুলি কোৱা হৈছিল আৰু main special duty allowance(মূল বিশেষ বৃত্তি ভাট্টা)ই basic pay(মৌলিক দৰমহা)ৰ ২৫শতাংশৰে গঠিত, যি প্ৰতি মাহে সৰ্বাধিক ৪০০টকা আছিল।

**১৯৮৫** চনৰ **১১**এপ্ৰিলত আপীলকাৰীয়ে জাৰি কৰা এক স্মাৰক পত্ৰৰ জৰিয়তে, অ-স্থানীয় বিষয়াসকলৰ বাবে দৰমহাৰ ad hoc(অস্থায়ী) বৃদ্ধি কৰা হৈছিল আৰু তেওঁলোকক গুৱাহাটীত নিযুক্তি দিয়া সময়ৰ বাবে অস্থায়ী বৃদ্ধি বা বিশেষ কৰ্তব্য ভাট্টা বাছনি কৰাৰ বিকল্প দিয়া হৈছিল।

উত্তৰদাতাই **১৯৮৫**চনৰ **১০**মে' তাৰিখৰ তেওঁলোকৰ পত্ৰৰ জৰিয়তে স্থানীয় বিষয়াসকলক উক্ত সুবিধাসমূহৰ ম্যাদ বৃদ্ধি কৰিবলৈ দাবী জনাইছিল। যেতিয়া আপীলকাৰী-বেংকে স্থানীয় বিষয়াসকলক সুবিধা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছিল, তেতিয়া উত্তৰদাতা-সংস্থাই **১১**এপ্ৰিল, **১৯৮৫**তাৰিখৰ স্মাৰক পত্ৰক উচ্চ ন্যায়ালয়ত এখন লেখ আবেদনত প্ৰত্যাহ্বান জনাইছিল, য'ত দাবী কৰা হৈছিল যে, গুৱাহাটীত নিযুক্ত আপীলকাৰী-বেংকৰ সকলো বিষয়া, তেওঁলোক উত্তৰ-পূব অঞ্চলৰে হওঁক বা বাহিৰৰ, তেওঁলোকে অনুৰূপ পৰিস্থিতিত বাস কৰিব লগা হৈছিল আৰু একে কষ্টৰ সন্মুখীন হ'ব লগা হৈছিল, আৰু সেয়েহে, যদি বাহিৰৰ পৰা গুৱাহাটী কাৰ্যালয়লৈ বদলি কৰা বিষয়াসকলক কোনো ভাট্টা দিয়া হৈছিল, তেন্তে গুৱাহাটীত নিযুক্ত স্থানীয় বিষয়াসকলক একে ভাট্টাই দিয়া উচিত।

আপীলকাৰী বেংকে ইয়াৰ প্ৰত্যুত্তৰত দাবী কৰিছিল যে, 'গুৱাহাটী কাৰ্যালয়ত পৰ্যাপ্ত কৰ্মচাৰীৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ *ad hoc* incentives আঁচনি প্ৰৱৰ্তন কৰা হৈছিল; অ-স্থানীয় বিষয়াসকলে বাসস্থান লাভ কৰাত অসুবিধাৰ সন্মুখীন হৈছিল, ভাষা আদিৰ সৈতে পৰিচিত হ'ব লগা হৈছিল, আৰু গুৱাহাটীলৈ স্থানান্তৰিত হোৱাৰ সময়ত তেওঁলোকে সন্মুখীন হোৱা অসুবিধাসমূহ হ্ৰাস কৰিবলৈ তেওঁলোকক কিছু ইনচেণ্টিভ দিব লগা হৈছিল; এক জটিল অঞ্চল হিচাপে গণ্য কৰা, উত্তৰ-পূব অঞ্চলত এই মুহূৰ্তত বিদ্যমান অদ্ভুত পৰিস্থিতিত উক্ত ইনচেণ্টিভবোৰ অস্থায়ী আছিল।

উচ্চ ন্যায়ালয়ে এই আবেদনখন গ্ৰহণ কৰি কয় যে, গুৱাহাটীৰ সকলো বিষয়াই একেধৰণৰ অসুবিধাৰ সন্মুখীন হৈছে আৰু গুৱাহাটীৰ আপীলকাৰী বেংকৰ স্থানীয় বিষয়াসকলৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ কৰা হৈছে আৰু নিৰ্দেশ দিয়া হৈছে যে, তেওঁলোকক গুৱাহাটীলৈ বদলি কৰা অ-স্থানীয় বিষয়াসকলৰ দৰে একে সুবিধা প্ৰদান কৰিব লাগিব।

বেংকে দাখিল কৰা বিশেষ অনুমতিৰ জৰিয়তে আপীলৰ অনুমোদন দি এই আদালতে,

উপস্থাপন কৰে- **১.০১.** উত্তৰ-পূব অঞ্চলৰ বাহিৰে আন অঞ্চলৰ পৰা গুৱাহাটীলৈ বদলি হোৱা আপীলকাৰী- বেঙ্কৰ এজন বিষয়াই সন্মুখীন হোৱা কষ্ট আৰু অসুবিধাসমূহ নিশ্চিতভাৱে গুৱাহাটীত নিযুক্ত স্থানীয় বিষয়াসকলে সন্মুখীন হোৱাতকৈ অধিক তীব্ৰ হ'ব। [৪৬৩ জি- এইচ]

**১.০২.** উত্তৰ-পূব অঞ্চলৰ পৰা অহা কিছুমান বিষয়াও গুৱাহাটীত নিযুক্তি পোৱাৰ সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব পাৰে কিন্তু, এনে কেইবাজনো বিষয়া থকাৰ বাবে কেৱল দূৰ-দূৰণিৰ অঞ্চলৰ পৰা বদলি হোৱা বিষয়াসকলক প্ৰদান কৰা বিশেষ ভাট্টা, বৈষম্যমূলক আৰু আইনৰ চকুত বেয়া নহ'ব। [৪৬৪ বি -চি]

**১.০৩.** ভাৰতীয় ৰিজাৰ্ভ বেংক হৈছে এক বেংকিং প্ৰতিষ্ঠান আৰু যদি দক্ষতা আৰু সঠিকভাৱে কাম কৰাৰ স্বাৰ্থত গুৱাহাটীলৈ বদলি হোৱা অ-স্থানীয় বিষয়াসকলক গুৱাহাটীস্থিত গোটটোৰ কাৰ্য্যকৰীতা বজাই ৰখাৰ লক্ষ্যৰে কিছু অতিৰিক্ত সুবিধা প্ৰদান কৰাৰ সিদ্ধান্ত লয়, তেন্তে তেওঁলোকক কোনো বেআইনী বৈষম্যৰ বাবে দোষী বুলি গণ্য কৰিব নোৱাৰি। [৪৬৪ ই- এফ]

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- দেৱানী আপীল নং **৩১০৭- ১৯৯১।**

**১৪-০৮-১৯৯০** তাৰিখৰ গৌহাটী উচ্চ ন্যায়ালয়ৰ দেৱানী নিয়ম নং ৪০৭- **১৯৮৫**-ৰ বিচাৰ আৰু আদেশৰ পৰা।

আপীলকাৰীপক্ষত এইচ. এন. চালভে, কে. এছ. পৰিহাৰ আৰু এইচ. এছ. পৰিহাৰ।

উত্তৰদাতাপক্ষত পি. কে. গোস্বামী, কৈলাশ ভাসদেৱ আৰু এম. জে. পল।

আদালতৰ ৰায়,

**ন্যায়াধীশ কানিয়াৰ** দ্বাৰা বিশেষ অনুমতি প্ৰদান কৰে। পৰামৰ্শদাতাৰ পক্ষ শুনা হ'ল।

ভাৰতীয় ৰিজাৰ্ভ বেংকে বিশেষ অনুমতিৰে দাখিল কৰা এক আপীল আবেদন। প্ৰতিদ্বন্দ্বিতা কৰা উত্তৰদাতা, উত্তৰদাতা নং **১** হোৱাৰ বাবে, গুৱাহাটী গোটত ইয়াৰ বিষয়াসকলৰ এক সংগঠন। উত্তৰদাতা সংস্থাই (ইয়াৰ পিছত "উত্তৰদাতা" বুলি উল্লেখ কৰা হৈছে) গুৱাহাটীস্থিত গোটত আপীলকাৰী বেংকত নিয়োজিত এ-ৰ পৰা চি শ্ৰেণীৰ ৪৫জন বিষয়াক প্ৰতিনিধিত্ব কৰে। আপীলকাৰীৰ হৈ দাখিল কৰা হলফনামাৰ পৰা প্ৰতীয়মান হয় যে, উত্তৰ-পূব অঞ্চলৰ বাহিৰত নিযুক্ত আপীলকাৰীৰ বিষয়াসকলক দেশৰ উত্তৰ-পূব অংশৰ আপীলকাৰীৰ ইউনিটলৈ বদলি গ্ৰহণ কৰিবলৈ প্ৰেৰিত কৰাত অসুবিধা হৈছিল, যিটো ইউনিট অসমৰ গুৱাহাটীস্থিত আছিল। নথিৰ পৰা এইটোও পোহৰলৈ আহিছে যে, দেশৰ আন অঞ্চলৰ পৰা গুৱাহাটী ইউনিটলৈ বদলি কৰা বিষয়াসকলৰ দ্বাৰা গুৱাহাটী ষ্টেচনটো এক কষ্টসাধ্য ষ্টেচন হিচাপে গণ্য কৰা হৈছে। ভাৰত চৰকাৰে ইয়াৰ বিষয়াসকলক উত্তৰ-পূব অঞ্চলত নিযুক্তি গ্ৰহণ কৰিবলৈ প্ৰেৰিত কৰাত একেধৰণৰ অসুবিধাৰ সন্মুখীন হৈছিল আৰু তেওঁলোকক উত্তৰ-পূব অঞ্চললৈ স্থানান্তৰ গ্ৰহণ কৰিবলৈ যথেষ্ট প্ৰেৰণা দিয়া হৈছিল। আমি ইয়াত ভাৰত চৰকাৰে প্ৰদান কৰা প্ৰকৃত সুবিধাসমূহৰ

সৈতে পোনপটীয়াকৈ জড়িত নহয় কিন্তু, গুৰুত্বপূৰ্ণ কথাটো হ'ল যে, এনে সুবিধাসমূহ ভাৰত চৰকাৰে দিব লগা হৈছিল। ১৯৮৩চনৰ ৯ডিচেম্বৰৰ এখন পত্ৰৰ জৰিয়তে আপীলকাৰীয়ে উত্তৰ-পূব অঞ্চলৰ বাহিৰৰ গুৱাহাটীত নিযুক্ত বিষয়াসকলক কিছুমান ইনচেণ্টিভ আৰু ভাট্টা প্ৰদান কৰিছিল। সেই ভাট্টাসমূহ সাধাৰণতে বিশেষ বৃত্তি ভাট্টা হিচাপে জনাজাত আছিল। আমি বিশেষ বৃত্তি ভাট্টা কেনেদৰে গণনা কৰা হৈছিল সেই সম্পৰ্কে সবিশেষৰ সৈতে বেছি চিন্তিত নহয় কিন্তু, মূল বিশেষ বৃত্তি ভাট্টা মূলতঃ basic pay(মৌলিক দৰমহা)ৰ ২৫শতাংশৰে গঠিত, যি প্ৰতি মাহে সৰ্বাধিক ৪০০টকা সাপেক্ষে। এই ভাট্টাসমূহক বিশেষ ক্ষতিপূৰণমূলক ভাট্টা বা দূৰৱৰ্তী স্থানীয় ভাট্টাসমূহ বুলিও জনা গৈছিল। ১৯৮৫চনৰ ১১এপ্ৰিলত আপীলকাৰীয়ে জাৰি কৰা এক স্মাৰক পত্ৰৰ জৰিয়তে, অ-স্থানীয় বিষয়াসকলৰ বাবে দৰমহাৰ এক ad hoc(অস্থায়ী) বৃদ্ধি কৰা হৈছিল আৰু তেওঁলোকক গুৱাহাটীত নিযুক্তি দিয়া সময়ৰ বাবে ad hoc(অস্থায়ী) বৃদ্ধি বা বিশেষ বৃত্তি ভাট্টা বাছনি কৰাৰ বিকল্প দিয়া হৈছিল। উত্তৰদাতাই ১৯৮৫চনৰ ১০মে' তাৰিখৰ পত্ৰখনৰ জৰিয়তে স্থানীয় বিষয়াসকলক উক্ত সুবিধাৰ ম্যাদ বৃদ্ধি কৰিবলৈ দাবী জনাইছিল। আমি ইয়াত উল্লেখ কৰিব পাৰো যে গুৱাহাটীত নিযুক্ত স্থানীয় বিষয়াসকলে তেওঁলোকৰ দৰমহাৰ উপৰিও অতিৰিক্ত ভাট্টা লাভ কৰিছিল যদিও, ই গুৱাহাটীলৈ বদলি কৰা উত্তৰ-পূব অঞ্চলৰ বাহিৰৰ বিষয়াসকলক প্ৰদান কৰা মূল ক্ষতিপূৰণমূলক ভাট্টাতকৈ যথেষ্ট কম আছিল। গুৱাহাটীলৈ বদলি কৰা অ-স্থানীয় বিষয়াসকলকো আন কিছুমান সুবিধাৰ অনুমতি দিয়া হৈছিল যদিও, সেইবোৰ বিশদভাৱে উল্লেখ কৰাৰ কোনো প্ৰয়োজন নাই। আপীলকাৰীয়ে পূৰ্বতে উল্লেখ কৰা অনুসৰি গুৱাহাটীলৈ বদলি কৰা আন অঞ্চলৰ বিষয়াসকলক দিয়া ভাট্টাৰ দৰে গুৱাহাটীত নিযুক্ত স্থানীয় বিষয়াসকলক দিয়া ভাট্টাৰ

অনুমতি দিবলৈ অস্বীকাৰ কৰিছিল। এই সিদ্ধান্তই এই আপীল উত্থাপন হোৱা সিদ্ধান্তৰ পৰা লেখ আবেদনৰ সৃষ্টি কৰিছিল।

গৌহাটী উচ্চ ন্যায়ালয়ৰ আগত উত্তৰদাতাৰ যুক্তি আছিল যে, গুৱাহাটীত নিযুক্ত আপীলকাৰী বেংকৰ সকলো বিষয়া, সেয়া উত্তৰ-পূব অঞ্চলৰ হওঁক বা বাহিৰৰ, তেওঁলোকে একে পৰিস্থিতিত বাস কৰিব লগা হৈছিল আৰু একে কষ্টৰ সন্মুখীন হ'ব লগা হৈছিল আৰু সেয়েহে, যদি বাহিৰৰ পৰা গুৱাহাটী কাৰ্যালয়লৈ বদলি কৰা বিষয়াসকলক কোনো ভাট্টা দিয়া হয়, তেন্তে গুৱাহাটীতো নিযুক্ত স্থানীয় বিষয়াসকলক একে ভাট্টাই দিব লাগে। আপীলকাৰী বেংকৰ দ্বাৰা উচ্চ ন্যায়ালয়ত দাখিল কৰা কাউণ্টাৰ(প্ৰত্যুত্তৰ)ত, আপীলকাৰী বেংকৰ উপ-মুখ্য বিষয়াজনে প্ৰকাশ কৰিছিল যে, স্থানীয় বিষয়াসকলে সন্মুখীন হোৱাতকৈ অ-স্থানীয় বিষয়াসকলে সন্মুখীন হোৱা অসুবিধাসমূহ অধিক। গুৱাহাটী কাৰ্যালয়ত 'পৰ্যাপ্ত পৰিমাণে' কৰ্মচাৰী নিয়োগৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ এডহক ইনচেণ্টিভ আঁচনি প্ৰৱৰ্তন কৰা হৈছিল। অ-স্থানীয় বিষয়াসকলে বাসস্থান বিচৰা, ভাষাৰ সৈতে পৰিচিত হোৱা আদিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছিল আৰু গুৱাহাটীলৈ স্থানান্তৰিত হোৱাৰ সময়ত তেওঁলোকে সন্মুখীন হোৱা অসুবিধাসমূহ হ্ৰাস কৰিবলৈ তেওঁলোকক কিছু ইনচেণ্টিভ দিব লগা হৈছিল। এইটো স্পষ্ট কৰা হৈছিল যে, এক জটিল অঞ্চল হিচাপে গণ্য কৰা উত্তৰ-পূব অঞ্চলত এই মুহূৰ্তত বিদ্যমান অদ্ভুত পৰিস্থিতিত উক্ত ইনচেণ্টিভবোৰ অস্থায়ী আছিল। এইটো স্বীকাৰ কৰা হৈছিল যে, উত্তৰ-পূব অঞ্চলৰ বাহিৰৰ ঠাইৰ পৰা অহা নিযুক্ত বিষয়াসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ’ব লাগিব। আপীলকাৰী বেংকৰ যুক্তি উচ্চ ন্যায়ালয়ৰ পক্ষত বিচাৰি পোৱাত ব্যৰ্থ হৈছিল যিয়ে এই দৃষ্টিভংগী গ্ৰহণ কৰিছিল যে, গুৱাহাটীৰ সকলো বিষয়া যথেষ্ট পৰিমাণে একে কষ্টত ভুগিছিল আৰু যিয়ে আঙুলিয়াই দিছিল যে, উদাহৰণস্বৰূপে আনকি ত্ৰিপুৰাৰ

পৰা অহা বিষয়াসকলেও গুৱাহাটীত নিযুক্তি লাভ কৰি, উত্তৰ-পূব অঞ্চলৰ বাহিৰে আন অঞ্চলৰ পৰা গুৱাহাটীলৈ বদলি কৰা বিষয়াসকলে প্ৰায় একে পৰিমাণৰ কষ্ট ভোগ কৰিব, যদিওবা ত্ৰিপুৰা উত্তৰ-পূব অঞ্চলত আছিল। উচ্চ ন্যায়ালয়ে এই দৃষ্টিভংগী গ্ৰহণ কৰিছিল যে, আপীলকাৰী বেংক, গুৱাহাটীৰ স্থানীয় বিষয়াসকলৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ কৰা হৈছিল আৰু নিৰ্দেশ দিছিল যে, তেওঁলোকক গুৱাহাটীলৈ বদলি কৰা অ-স্থানীয় বিষয়াসকলৰ দৰে একে সুবিধা দিব লাগিব।

উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগীৰ সঠিকতা এই আপীলত আমাৰ সন্মুখত বিচাৰাধীন কৰিবলৈ বিচাৰিছে। আমাৰ অভিমত যে উচ্চ ন্যায়ালয়ে, সন্মান সহকাৰে, এই দৃষ্টিভংগী গ্ৰহণ কৰাত ভুল কৰিছিল যে, উত্তৰ-পূব অঞ্চলৰ বিষয়াসকলক গুৱাহাটীলৈ বদলি বা অন্যথা নিযুক্ত বিষয়াই সন্মুখীন হোৱা অসুবিধা আৰু গুৱাহাটীলৈ বদলি কৰা আন অঞ্চলৰ বিষয়াসকলে একেধৰণৰ অসুবিধাৰ সন্মুখীন হৈছিল। উত্তৰ-পূব অঞ্চলৰ বাহিৰে আন অঞ্চলৰ পৰা গুৱাহাটীলৈ বদলি হোৱা আপীলকাৰী বেংকৰ এগৰাকী বিষয়াই সন্মুখীন হোৱা কষ্ট আৰু অস্বস্তি নিশ্চিতভাৱে গুৱাহাটীত নিযুক্ত স্থানীয় বিষয়াসকলৰ তুলনাত অধিক তীব্ৰ হ’ব। তেওঁৰ মাতৃভাষা সম্পূৰ্ণ পৃথক হ'ব পাৰে আৰু আনকি লিপিও সম্পূৰ্ণ পৃথক হ'ব পাৰে, গুৱাহাটীৰ স্থানীয় লোকসকলে ব্যৱহাৰ কৰা ভাষাৰ পৰা। সেয়েহে তেওঁ আৰু পৰিয়ালৰ সদস্যসকলে স্থানীয় লোকসকলৰ সৈতে মুকলিভাৱে যোগাযোগ কৰাটো অতি কঠিন হৈ পৰিব। সেয়েহে, তেওঁৰ সন্তানসকলে হয়তো এখন বিদ্যালয়ত নামভৰ্তি কৰা আৰু গুৱাহাটীৰ শিক্ষা গ্ৰহণ কৰাত অসুবিধা অনুভৱ কৰিব পাৰে। তেওঁলোকে ওচৰৰ পৰিৱেশ আৰু মানুহৰ ৰীতি-নীতিৰ সৈতে পৰিচিত নহ’ব। গুৱাহাটীত নিযুক্ত ভাৰতৰ পশ্চিম বা দক্ষিণ বা উত্তৰৰ বিষয়াজনে সন্মুখীন হোৱা অসুবিধাসমূহ গুৱাহাটীত নিযুক্ত স্থানীয় বিষয়াসকলে সন্মুখীন হোৱা অসুবিধাসমূহতকৈ গুণগতভাৱে আৰু পৰিমাণগতভাৱে অধিক

হ'ব। এইটো হ'ব পাৰে যে, উত্তৰ-পূব অঞ্চলৰ পৰা অহা কিছুমান বিষয়াই গুৱাহাটীত নিযুক্তি দিয়াৰ সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব পাৰে কিন্তু, এনে কোনো বিষয়াও থাকিব পাৰে যিয়ে দূৰৈৰ অঞ্চলৰ পৰা বদলি হোৱা বিষয়াসকলক বিশেষ ভাট্টা প্ৰদান নকৰে, যি বৈষম্যমূলক আৰু আইনৰ চকুত বেয়া আছিল। সেয়েহে, উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হোৱাটো যুক্তিসংগত নাছিল যে, গুৱাহাটীত নিযুক্ত আপীলকাৰী বেংকৰ সকলো বিষয়া একে পৰিমাণৰ কষ্টত ভুগিছিল। উত্তৰ-পূব অঞ্চলৰ বাহিৰৰ পৰা গুৱাহাটীলৈ বদলি হোৱা এজন ব্যক্তিয়ে সাধাৰণতে গুৱাহাটীত নিযুক্ত উত্তৰ-পূব অঞ্চলৰ এজন বিষয়াৰ তুলনাত অধিক গুৰুতৰ অসুবিধাৰ সন্মুখীন হ'ব লাগিব বা অন্ততঃ আবেদনকাৰী বেংকে যুক্তিসংগতভাৱে সেই দৃষ্টিভংগী গ্ৰহণ কৰিব পাৰে। তাৰোপৰি, কাউণ্টাৰত আপীলকাৰী বেংকে উল্লেখ কৰা অনুসৰি তেওঁলোকে বাহিৰৰ পৰা তেওঁলোকৰ বিষয়াসকলক গুৱাহাটীলৈ স্থানান্তৰ গ্ৰহণ কৰিবলৈ প্ৰেৰিত কৰাটো কঠিন হৈ পৰিছিল আৰু এইটো সাধাৰণ জ্ঞান যে, এটা বৃহৎ বেংকৰ কাৰ্যালয় বিষয়াসকলৰ দ্বাৰা কাৰ্য্যকৰীভাৱে চলাব নোৱাৰি, যাৰ বৃহৎ সংখ্যক লোকক তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে স্থানান্তৰ কৰি আৰু শৃঙ্খলামূলক ব্যৱস্থা গ্ৰহণৰ ভাবুকিৰ অধীনত তাত নিযুক্তি দিয়া হৈছে। তেওঁলোকে কৰা কামবোৰ সন্তোষজনক হ'ব বুলি আশা কৰিব পৰা নাযায়। অৱশ্যে, আপীলকাৰী ভাৰতীয় ৰিজাৰ্ভ বেংক হৈছে এক বেংকিং প্ৰতিষ্ঠান আৰু যদি দক্ষতা আৰু সঠিকভাৱে কাম কৰাৰ স্বাৰ্থত, পূৰ্বতে নিৰ্ধাৰিত পৰিস্থিতিত, গুৱাহাটীলৈ স্থানান্তৰিত অ-স্থানীয় বিষয়াসকলক কিছু অতিৰিক্ত সুবিধা প্ৰদান কৰাৰ সিদ্ধান্ত লয়, যাতে গুৱাহাটীৰ ইয়াৰ গোটটোৰ কাৰ্য্যকলাপ দক্ষভাৱে চলি থাকে, আমাৰ মতে, তেওঁলোকক কোনো বেআইনী বৈষম্যৰ বাবে দোষী বুলি গণ্য কৰিব নোৱাৰি।

ফলাফল অনুসৰি, আমি আপীলৰ অনুমতি দিওঁ আৰু উচ্চ ন্যায়ালয়ৰ নির্দেশ বাতিল কৰোঁ। উত্তৰদাতা নং ১-ৰ দ্বাৰা দাখিল কৰা লেখ আবেদনখন নাকচ কৰা হয়। সমগ্ৰ খৰচৰ সন্দৰ্ভত কোনো আদেশ নাথাকিব।

ভি. পি. আৰ.

আপীল অনুমোদিত।

..........................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

...................